بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২২ চনৰ ১২ আগষ্ট তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন) ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**জলছা ছালানা বৃটেইনৰ উদ্ধতিত জামাত আহমদীয়াৰ ওপৰত অৱতীৰ্ণ হোৱা আল্লাহ তা'লাৰ অনুগ্ৰহৰ ঈমান উদ্দীপক বৰ্ণনা**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আলহামদুলিল্লাহ, আল্লাহ তা'লা আমাক বৃটেনৰ বাৰ্ষিক জলছা অনুষ্ঠিত কৰাৰ সৌভাগ্য প্ৰদান কৰিছে; আমি তিনি দিনত আল্লাহ তা'লাৰ অনুগ্ৰহ বৰ্ষিত হোৱা দেখিবলৈ পাইছো। গোটেই বছৰ জলছাৰ অপেক্ষাত থকা হয়, অধিক পৰিমাণে প্ৰস্তুতি ব্যৱস্থাপনাৰ কৰিবলগীয়া হয়। যেতিয়া জলছা আৰম্ভ হয় তেতিয়া গম পোৱা নাযায় যে তিনি দিন কেনেকৈ চকুৰ পলকতে গুচি গ'ল।

এই বছৰ লোক সকলৰ বাবে আৰু মোৰ বাবেও বিভিন্ন উদ্ধৃতিত কিছুমান আশংকা আছিল। কিছুমানে চিঠি-পত্ৰ লিখিছে আৰু উদ্বেগ প্ৰকাশ কৰিছে। সিহঁতে, মই আৰু জামাতৰ সদস্যসকলেও দোৱা কৰি আছিলো। অৰ্থাৎ আল্লাহ তা'লাই সকলো ধৰণৰ আশংকা আৰু ভীতিক শান্তিলৈ সলনি কৰি দিয়ে। বিয়পি পৰা কভিড মহামাৰীও এটা কাৰণ আছিল। ইয়াৰ কিছু প্ৰভাৱ আছিল যদিও আল্লাহ তা'লাৰ কৃপা বৰ্ষিত হৈছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে জলছাৰ পিছৰ খোতবাত কৰ্মকৰ্তাসকলক ধন্যবাদ জ্ঞাপন কৰিছে, অংশ গ্ৰহণকাৰী সকলৰ প্ৰভাৱ আৰু আল্লাহ তা'লাৰ অনুগ্ৰহৰ বিষয়ে বৰ্ণনা কৰিছে। পোনপ্ৰথমে মই সকলো কৰ্মকৰ্তাসকলক ধন্যবাদ জ্ঞাপন কৰো, যিসকলে জলছাৰ প্ৰস্তুতিৰ পৰা লৈ শেষলৈকে নিস্বাৰ্থ ভাৱে কাম কৰিলে; এতিয়ালৈকে কোনো কোনো ধৰণৰ ওৱাৰেণ্ডআপৰ কাম অব্যাহত আছে। জলছা চলি থকা অৱস্থাত বিভিন্ন বিভাগ সমূহত কৰ্মকৰ্তা পুৰুষ মহিলাসকলে সাধাৰণতে নিজৰ সামৰ্থ অনুযায়ী ভাল কাম কৰিছে সেই কাৰণে গোটেই অংশগ্ৰহণকাৰী কৰ্মকৰ্তাসকলৰ ধন্যবাদ জ্ঞাপন কৰা

উচিত।

কিছুমান ত্ৰুটি আৰু দুৰ্বলতা সন্মুখলৈ আহিছে সেইবোৰৰ বৰ্ণনা কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, ইমান ডাঙৰ ব্যৱস্থাপনাত এনেকুৱা দুৰ্বলতা আহি যায়; এয়া ব্যৱস্থাপনাৰ কাম হয় যে এই ত্ৰুটি আৰু দুৰ্বলতাসমূহ আঁতৰ কৰা; উদাহৰণ স্বৰূপ, মহিলাসকলক খাদ্য সামগ্ৰী যোগান ধৰাৰ বিভাগৰ পৰা কিছুমান অভিযোগ উত্থাপন হৈছে। লোক সকলৰ তৰফৰ পৰা যিবোৰ চিঠি মোলৈ প্ৰাপ্ত হৈছে সেইবোৰ মই ব্যৱস্থাপনালৈ প্ৰেৰণ কৰি আছো সেইমতে তদন্তলৈ নিজৰ লাল কিতাপত এই ত্ৰুটিসমূহ তালিকাভুক্ত কৰি অহা বছৰ প্ৰত্যেক বিভাগে উন্নত ধৰণৰ ব্যৱস্থা কৰাৰ প্ৰয়াস কৰা উচিত।

এম.টি.এ বহুত ভাল কভাৰেজ কৰিছে। এই বছৰ ষ্টুডিঅৰ সকলোবোৰ কাম সিহঁতে নিজেই প্ৰস্তুত কৰিছে যাৰ ফলত কেইবা হাজাৰ পাউণ্ড সঞ্চয় হৈছে। এই বছৰ বহু উন্নত আৰু অনুন্নত দেশসমূহক জলছা চলি থকা সময়ত চামিল কৰা হৈছিল; যাৰ ফলত ইয়াত বহি থকা লোকসকলেও অইন দেশৰ বাসিন্দা অৰ্থাৎ নিজৰ ভাতৃসকলক চাই আছিল। এক ঐক্যবদ্ধতা আছিল যাৰ দৃশ্য আমি এম,টি,এৰ কেমাৰৰ মাধ্যমে দৃশ্যপট কৰিছোঁ। এয়া আল্লাহ তা'লাৰ বিশেষ কৃপা হয়; এম,টি,এৰ কৰ্মকৰ্তাসকলে এই কথাত ধন্যবাদৰ অধিকাৰী যে তেওঁলোকে জামাত আহমদীয়াৰ অতুল্য এম,টি এৰ মাধ্যমে গোটেই বিশ্ববাসীক দেখুৱাই সিহঁতৰ মুখ বন্ধ কৰি দিছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কিছুমান নিজস্ব, অআহমদীৰ, নতুন বয়াতকাৰী আৰু সাংবাদিক সকলৰ প্ৰভাৱিত হোৱাৰ আলোকত আল্লাহ তা'লাৰ অনুগ্ৰহৰাজি বৰ্ণনা কৰি কৈছে যে জলছাৰ মাধ্যমে বিশ্ববাসীক কেনেকৈ ইছলামৰ পয়গাম পৌচালে।

লোকসকলৰ যুগৰ খলিফাৰ সৈতে ভালপোৱাৰ সম্বন্ধৰ বিষয়ে বৰ্ণনা কৰি কৈছে, নাইজেৰিয়াৰ এজন অআহমদী আলেম আবু বক্কৰ ছিনি চাহাব যিজন নয়ামে চহৰৰ এখন মছজিদৰ ইমাম হয় তেওঁ কৈছে মোক সকলোতকৈ অধিক যি কথাত প্ৰভাৱিত কৰিছে সেয়া হ'ল লোকসকলৰ যুগৰ খলিফাৰ সৈতে প্ৰেম আৰু ভাপলোৱাৰ সম্বন্ধ আৰু কেনেকৈ লোকসকলে যুগৰ খলিফাৰ এটা ইঙ্গিতত পৰিপূৰ্ণ ভাৱে আনুগত্য প্ৰদৰ্শন কৰি আছিল, ভাষণ প্ৰদান কৰা সময়ত সম্পূৰ্ণ ভাৱে নীৰৱতা আৰু নিস্তব্ধতা অৱলম্বন কৰি আছিল। আকৌ কয় যে এয়া ধাৰণা হয় যে এই প্ৰীতি আৰু ভালপোৱা খোদা তা'লা লোকসকলৰ হৃদয়ত সোমাই দিছে কাৰণ ইয়াত অবাস্তৱৰ কোনো শংকাই নাছিল।

বৰকিনা ফাছোৰ এজন অআহমদী বন্ধু ইছহাক চাহাবে কৈছে যে আপোনালোকৰ জলছা ছালানা অতি চমৎকাৰ আছিল ইয়াৰ দৃষ্টান্ত পোৱা নাযায়, ইমান বিশাল আকাৰত লোক সকলৰ সমৱেশ হোৱা কোনো অলৌকিক ক্ৰিয়াতকৈ কম নাছিল, সেয়াও এজন ইমামৰে অনুসৰণকাৰী, এই জলছাৰ দৃষ্টান্ত এই জলছা নিজেই। কোনোবাই স্বীকাৰ কৰক বা নকৰক আজি সত্য ইছলাম আহমদীসকলেই হয় আৰু সেই দিন বেছি দূৰত নহয় যে লোকসকলে এই সত্যক চিনি ল'ব আৰু

ইয়াত অন্তৰ্ভুক্ত হ'ব।

আকৌ ফ্রান্সগিয়ানাত এজন ছেৰেন অআহমদী যিজনে প্ৰথমবাৰ জলছা দেখিছে। তেখেতে আৰবীভাষী সকলৰ বাবে মছজিদত এম,টি,এ আৰাবিয়াৰ মাধ্যমে জলছা চোৱাৰ ব্যৱস্থা কৰিছিল। তেওঁ কয় যে মই প্ৰথমবাৰ জামাতৰ পয়গাম শ্ৰৱণ কৰি আছো আৰু প্ৰথমবাৰ মই আপোনাৰ খলিফাৰ ভাষণ শুনিলো। মই বৰ প্ৰভাৱিত হলো যে মুছলমান সকলৰ মাজত এনেকুৱা এক সংস্থা আছে যাৰ মাধ্যমে ইছলামৰ সঠিক পয়গাম বিশ্ববাসীলৈ পৌচাই আছে আৰু এজন খলিফাৰ বয়াতত গোটেই পৃথিৱীয়ে কাম কৰি আছে। মই ইনশা আল্লাহ নিশ্চিত ভাৱে আপোনাৰ জামাতৰ বিষয়ে অধ্যয়ন কৰিম আৰু অধিক গৱেষণা কৰিম।

লাইবেৰিয়াৰ এজন অমুছলিম অতিথিয়ে কয়, মই আহমদী খলিফাৰ ভাষণ শুনি বৰ প্ৰভাৱিত হৈছো....ইয়াৰ আগতে মই শুনা পাইছিলোঁ যে আহমদীয়া জামাত সংগঠিত দল হয়; আজি নিজ চকুৰে চালো যে কেনেকৈ আহমদীয়া জামাতে এজন নেতাৰ হাতত ঐক্যবদ্ধ হৈ পৃথিৱীত শান্তিৰ প্ৰয়াসত ব্যস্ত।

জেম্বিয়াৰ এজন খ্ৰীষ্টান পাদৰী চাহাব জলছাৰ শেষ দিনত হুজুৰ আনোৱাৰ (আইঃ)ৰ সমাপ্ত ভাষণ শুনি বৰ প্ৰভাৱিত হৈ নিজৰ অনুভৱ প্ৰকাশ কৰিছে যে আপোনালোকৰ খলিফাৰ ভাষণ বৰ আশ্চৰ্যজনক আছিল...মই এয়াই ভাৱিছিলো যে ইছলামে মহিলাসকলৰ অধিকাৰ জব্দ কৰি লৈছে আৰু মহিলাসকলক কোনো ধৰণৰ স্বাধীনতা দিয়া নাই; কিন্তু আজি এই ভাষণ শুনি মোৰ ধাৰণা পৰিৱৰ্তন হৈ যায় আৰু মই এই কথাষাৰ কওঁতে অলপো দ্বিধাবোধ নকৰিম যে ইছলামে মহিলাসকলক যি অধিকাৰ প্ৰধান কৰিছে সেয়া খ্ৰীষ্টানসকলে প্ৰদান কৰা নাই।

আইভেৰিকোষ্টৰ এজন তবলিগৰ অধীনত থকা বন্ধুৱে কয় যে তেওঁ প্ৰথম বাৰ কোনো জলছা ভিডিঅৰ মাধ্যমে দেখিছে আৰু জামাতৰ ব্যৱস্থাপনা চাই বৰ প্ৰভাৱিত হৈছে। ইমান বিশাল সংখ্যা আৰু বিনম্ৰতাৰ সৈতে প্ৰোগ্ৰামত অংশ লোৱা সকলৰ পৰা দৃশ্যপট হয় যে খলিফাৰ প্ৰশিক্ষণে সিহঁতৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। তেওঁ জনা নাছিল যে ৰছুলে কৰিম (ছাঃ)ৰ হাতত লোক সকলে কেনেকৈ বয়াত কৰিছে কিন্তু আজি খলিফাৰ হাতত লোক সকলৰ দীক্ষা গ্ৰহণ কৰাৰ দৃশ্য চাই হৃদয়ত যি গভীৰ প্ৰভাৱ পেলাইছে সেয়া মই বৰ্ণনা কৰিবলৈ অক্ষম।

জলছাৰ তিনি দিনৰ পৰা উপকাৰ হোৱা কেমৰুনৰ স্থানীয় জামাতৰ এজনী মহিলাই সমাপন ভাষণৰ পিছত লোক সকলক উপদেশ কৰিছে যে আমি সৌভাগ্যবান যে আমাৰ মাজত এম.টি.এ আছে। এইটো এটা টি.ভি চেনেল নহয়; বৰং এখন স্কুল আৰু ইউনিভাৰছিটি হয় য'ত লোকসকলে প্ৰত্যেক দিন জ্ঞান অৰ্জন কৰে আমিও এই দিনিটা দিনত বহু জ্ঞান অৰ্জন কৰিছোঁ...প্ৰত্যেকে ইয়াৰ পৰা লাভ উঠোৱা উচিত; নিয়মিত ভাৱে ঘৰত এইবোৰ চোৱা, লগতে ল'ৰা-ছোৱালীক দেখুৱা উচিত যাতে সকলোৰে মাজত ইছলামী জ্ঞান বৃদ্ধি পায়; বিশেষ ভাৱে যুগৰ খলিফাৰ খোতবাসমূহ আৰু

ভাষণবোৰ নিশ্চয় শুনিব যাতে আমাৰ ঈমান বৃদ্ধি পায়।

কাঙ্গুকনছাশাৰ পৰা আৰু এটা প্ৰভাৱিত ঘটনা আছে, আলিবু জামাতত জলছা দেখাৰ ভাৱে হাম্বলী মুছলমানৰ ইমামক নিমন্ত্ৰণ কৰা হয়। জলছাৰ শেষত তেওঁ ক'ব ধৰিলে যে যেনেকৈ জামাত আহমদীয়াই ইছলামৰ এই প্ৰকৃত ইছলামৰ শিক্ষাক উত্থাপন কৰিছে যি শিক্ষা হজৰত মহম্মদ (ছাঃ)য়ে আমাক প্ৰদান কৰিছিল, মোৰ ধাৰণা মতে এয়া জামাতৰে অগ্ৰাধিকাৰ; গতিকে মইয়ো বিচাৰো যে জামাতত অন্তৰ্ভুক্ত হৈ যাওঁ আল্লাহ মোক ইয়াৰ সৌভাগ্য প্ৰদান কৰক। আল্লাহ তা'লা তেওঁক তৌফিক দিয়ক।

আলবানিনৰ তবলিগৰ অধীনত থকা এজনী ছোৱালীয়ে কয় যে জলছা ছালানা ইউ,কে. এক আশ্চৰ্যমূলক জলছা আছিল য'ত অংশগ্ৰহণকাৰীৰ সংখ্যা আছিল অসাধাৰণ; মই এতিয়ালৈকে জামাতত অন্তৰ্ভুক্ত হোৱা নাই কিন্তু এই জলছাই মোক জাগ্ৰত কৰিছে যে মই ইয়াৰ গুৰুত্ব আৰু সততাৰ বিষয়ে গভীৰ চিন্তা-ভাৱনা কৰিম।

অষ্ট্ৰেলিয়াৰ এজন নতুন বয়াতকাৰীয়ে কয় যে বিশ্বব্যাপী বয়াত মোৰ বাবে এটা আশ্চৰ্যজনক অভিজ্ঞতা আছিল; এই সময়ত মই যি আধ্যাত্মিক অৱস্থাৰ মাজেৰে অতিক্ৰম কৰিলোঁ ইয়াৰ পূৰ্বে মই তেনেকুৱা অৱস্থা কেতিয়াও অনুভৱ কৰা নাই। এটা এনেকুৱা আধ্যাত্মিক পৰিৱেশ আছিল যিয়ে মোৰ হৃদয়খনক তৃপ্তি আৰু প্ৰশান্তি দিলে।

ইয়ামনৰ পৰা শ্বিমা কাছিম চাহিবাই কয় যে আমি জলছা চালো, এনেকুৱা অনুভৱ হৈছিল যে আমি বেহেস্তত আছো। ইছলামৰ সূৰ্য আমাৰ ওপৰত দ্বিতীয়বাৰ উদয় হৈছে আৰু আমাৰ হৃদয়খনক সতেজতা বনাইছে; আমাৰ মাজত প্ৰকৃত ঈমান, প্ৰীতি, ঐক্যতা আৰু চৰিত্ৰৰ আত্মা প্ৰৱেশ কৰোৱাইছে। আমি আপোনাৰ পৰা আঁতৰত আছিলো কিন্তু আমাৰ হৃদয়খন আপোনাৰ লগতে আছিল আৰু একেখন ঘৰতে আছিলো। এজন আহমদীৰ বাহিৰে কোনোবাই এই সম্পৰ্কক অনুভৱ কৰিব নোৱাৰে....খোদা তা'লা খলিফাক সৰ্বদা প্ৰতিষ্ঠিত ৰাখক, এয়া অবিহনে নে আমাৰ কোনো অস্তিত্ব আছে, নে উদ্দেশ্য।

কবাবিৰৰ এজনী আৰবীয়ান মহিলা দাআ চাহিবাই কয় যে বয়াতৰ সময়ত মোৰ অনুভৱ হয় যে আমি সঁচাকৈয়ে খলিফাৰ সৈতে আছো আৰু আমাৰ মাজভাগত নে কোনো দেশ, আৰু নে কোনো সমুদ্ৰ আছে। মোৰ অনুভৱ হৈছিল যে ইমান  উল্লাসৰ আনন্দত মোৰ হৃদয়খন ফাটি যাব।

প্ৰতিনিধিত্ব সাংবাদিক বি,বি,ছি ছাউথ এডৱাৰছালটয়ে কৈছে যে মই জলছাৰ সময়ত বৰ ভালদৰে সময় পাৰ কৰিছোঁ, আতিথ্য অতি উত্তম আছিল। ভিন্ন ভিন্ন ভাষণ শুনি বৰ ভাল লাগিছে, ভৱিষ্যতত আপোনালোকৰ সৈতে কাম কৰিম।

হুজুৰ আনোৱাৰ (আইঃ)য়ে খোতবাৰ শেষত মাননীয়া নুছৰত কুদৰত চুলতানা চাহিবা মাননীয় কুদৰতুল্লাহ আদনান চাহাবৰ পত্নী আফ কেনেডা,আধা শতিকাৰ অধিক ছিলছিলাৰ সেৱা আগবঢ়োৱাৰ সৌভাগ্যকাৰী জীৱন বিসৰ্জন দিওঁতা মাননীয় চৌধুৰী লতিফ আহমদ ঝমট চাহাব, আৰু মাননীয়

মুশ্বতাক আহমদ আলম চাহাব মাননীয় মহম্মদ আলম চাহাবৰ পুত্ৰ আফ মিৰপুৰ কাশ্মিৰৰ উত্তম কামৰ বিষয়ে বৰ্ণনা কৰি নামাজে জুমাৰ পিছত ইহঁতৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِىَ لَهٗ وَنَشْهَدُ اَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR [aba] 12 AUGUST 2022**

## BOOK POST (PRINTED MATTER)

TO,

.............................................................................................................................
.............................................................................................................................
.............................................................................................................................
.............................................................................................................................
.............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**